**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 18-05-2025 **Time :** 1715 Hrs.

***Assamese Evening Bulletin***

শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত আজি বিনিয়োগ আৰু বিকাশৰ চুক্তিপত্ৰ বিনিময় অনুষ্ঠান ৰূপায়ণ হয়। এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণত দিয়া প্ৰতিশ্ৰুতি অনুসৰি ৰূপায়ণ হোৱা এই অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, উদ্যোগ মন্ত্ৰী বিমল বৰা সহ ৰাজ্য চৰকাৰৰ কেইবাগৰাকীও উচ্চপদস্থ বিষয়াৰ লগতে বিনিয়োগকাৰীসকল উপস্থিত থাকে। এই অনুষ্ঠানতে ৰাজ্য চৰকাৰ আৰু বিনিয়োগকাৰীসকলৰ মাজত ২২ হাজাৰ ৮৯৯ কোটি টকাৰ চুক্তিৰ বিনিময় সম্পন্ন হয়। এই বিনিয়োগৰ দ্বাৰা ৰাজ্যত প্ৰায় ছহেজাৰ নতুন নিয়োগ সৃষ্টি হ'ব বুলি আশা কৰা হৈছে। মুখ্যমন্ত্ৰী ড° শৰ্মাই বিনিয়োগ আৰু বিকাশৰ চুক্তিপত্ৰ বিনিময় অনুষ্ঠানত ভাষণ আগবঢ়াই কয়, যে ৰাজ্যত উদ্যোগীকৰণৰ লক্ষ্যৰে এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণ অনুষ্ঠিত হৈছিল। এডভাণ্টেজ আছামৰ এই সংস্কৰণৰ জৰিয়তে ৫ লাখ ১৮ হাজাৰ কোটি টকাৰ বুজাবুজিৰ চুক্তি স্বাক্ষৰ হৈছিল। আজিৰ অনুষ্ঠানত ২০ টা প্ৰকল্পৰ বিনিয়োগৰ চুক্তি পত্ৰৰ বিনিময় হয়। ইয়াৰে তিনিটা ইথানল প্ৰকল্পৰ কাম ইতিমধ্যে আৰম্ভ হৈছে। দুহেজাৰ ৮০০ কোটি টকাৰে তিনিটা চিমেণ্ট প্ৰস্তুত প্ৰকল্পৰো কাম আৰম্ভ হৈছে। অসমত প্ৰথমটো পাম ষ্টৰেজৰ বাবেও নিপকোৰ সৈতে চুক্তিত স্বাক্ষৰ হৈছে। চুক্তি স্বাক্ষৰিত হোৱা বহুকেইটা উদ্যোগ এইবছৰৰ শেষৰফালে মুকলি হ'ব। এই অনুষ্ঠানতে মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে অহা ৮ ছেপ্তেম্বৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অসম ভ্ৰমণ কৰি ৰিং ৰোডৰ আধাৰশিলা স্থাপন কৰিব। এই ৰিং ৰোডৰ নিৰ্মাণ ব্যয় প্ৰায় ৭ হাজাৰ ৮০০ কোটি টকা। অনুষ্ঠানটোত ভাগ লৈ উদ্যোগ মন্ত্ৰী বিমল বৰাই কয়, যে এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণে অসমৰ ঔদ্যোগিক ক্ষেত্ৰত নতুন দিগন্তৰ সূচনা কৰিছে। ইয়াৰ দ্বাৰা অসমৰ নৱ প্ৰজন্ম আত্মনিৰ্ভৰশীল হ'ব পৰাকৈ পথ মুকলি হ'ব। দেশে-বিদেশে অসমৰ ঔদ্যোগিক বাৰ্তা প্ৰেৰণ কৰিবলৈ এডভাণ্টেজ আছাম দ্বিতীয় সংস্কৰণে সহায় কৰিলে। মন্ত্ৰীগৰাকীয়ে লগতে মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ আঁচনিৰ অধীনত ৰাজ্যৰ ২৫ হাজাৰ যুৱক-যুৱতী অন্তৰ্ভুক্ত হ'ল বুলি প্ৰকাশ কৰে।

0000000

সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ শূন্য সহনশীলতাৰ বাৰ্তা বিশ্বৰ বিভিন্ন দেশত বিলাবলৈ ভাৰতৰ সাংসদৰ সৰ্বদলীয় এটা দল বিশ্বৰ ভিন্ন দেশলৈ যাবলৈ সাজু হৈছে। ৫১ জনীয়া দলটোক কেন্দ্ৰীয় চৰকাৰে ইতিমধ্যে ৭ টা গোটত ভাগ কৰি প্ৰতিটো গোট কোন কোন দেশলৈ যাব, তাৰ তালিকা প্ৰকাশ কৰিছে। সংসদীয় পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী কিৰেণ ৰিজিজুৱে প্ৰকাশ কৰা অনুসৰি ৭ টা দলক – বিজেপি সাংসদ বৈজয়ন্ত পাণ্ডা, ৰবিশংকৰ প্ৰসাদ, জে ডি ইউৰ সাংসদ সঞ্জয় কুমাৰ ঝা, শিৱসেনাৰ সাংসদ শ্ৰীকান্ত একনাথ সিন্দে, কংগ্ৰেছ সাংসদ শশী থাৰুৰ, ডি এম কেৰ সাংসদ কানিমুঝি আৰু এন চি পি শাৰদ পাৱাৰ গোটৰ সাংসদ সুপ্ৰিয়া ছুলেই নেতৃত্ব দিব। ৭টা গোটৰ প্ৰতিনিধি দলটোত অসমৰ দুগৰাকীকৈ সাংসদ অন্তৰ্ভুক্ত হৈছে। কংগ্ৰেছ সাংসদ শশী থাৰুৰে নেতৃত্ব দিবলগীয়া দলটোত অসমৰ সাংসদ ভুৱনেশ্বৰ কলিতা অন্তৰ্ভুক্ত হৈছে। শশী থাৰুৰ নেতৃত্বত ৯ জনীয়া এই গোটটোৱে আমেৰিকা, পানামা, গুয়ানা, ব্ৰাজিল আৰু কলম্বিয়া ভ্ৰমণ কৰিব। একেদৰে জে ডি ইউৰ সাংসদ সঞ্জয় কুমাৰ ঝায়ে নেতৃত্ব

দিবলগীয়া ৯জনীয়া সাংসদৰ প্ৰতিনিধিৰ দলটোত অসমৰ বিজেপি সাংসদ প্ৰদান বৰুৱা অন্তৰ্ভুক্ত হৈছে। এই গোটটোৱে ইণ্ডোনেছিয়া, মালয়েছিয়া, কোৰিয়া গণৰাজ্য, জাপান আৰু ছিংগাপুৰ ভ্ৰমণ কৰিব। সাংসদৰ সৰ্বদলীয় দলৰ ৭টা গোটে ৩ জুনত যাত্ৰা আৰম্ভ কৰিব।

০০০০০০০

পৰাগ কুমাৰ দাস সতীৰ্থ মঞ্চৰ উদ্যোগত বিশিষ্ট শিক্ষাবিদ উদয়াদিত্য ভড়ালীক আজি পৰাগ কুমাৰ দাস সাংবাদিকতা বঁটা প্ৰদান কৰা হয়। গুৱাহাটী মহানগৰীৰ দক্ষিণ শৰণীয়াত আয়োজিত এটা অনুষ্ঠানত বিশিষ্ট চিন্তাবিদ ড° হীৰেণ গোহাইয়ে সতীৰ্থ মঞ্চৰহৈ এই বঁটা প্ৰদান কৰে। বঁটা হিচাপে শিক্ষাবিদ ভড়ালীক এখন চেলেং চাদৰ, গামোচা, প্ৰশস্তিপত্ৰ আৰু নগদধন প্ৰদান কৰা হয়। অনুষ্ঠানত প্ৰয়াত পৰাগ কুমাৰ দাসৰ পৰিয়ালৰ লগতে সতীৰ্থ মঞ্চৰ বিষয়ববীয়াসকল উপস্থিত থাকে।

০০০০০০০

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে পাটাছাৰকুছি প্ৰেছ ক্লাৱৰ নৱনিৰ্মিত ভৱনটো উদ্বোধন কৰে। মন্ত্ৰী শ্ৰীদাসে সাংবাদিকসকললৈ শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে এসময়ত সাংবাদিকতাৰ সৈতে জড়িত হৈ থকাৰ বাবে এটা তেওঁৰ বাবে গৌৰৱৰ মুহুৰ্ত বুলি প্ৰকাশ কৰে। অনুষ্ঠানত বজালীৰ আয়ুক্তকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। ইয়াৰ পূৰ্বে মন্ত্ৰীগৰাকীয়ে বজালীৰ পাঠশালাৰ বিৰবিৰাত জনসাধাৰণৰ সৈতে মত বিনিময় কৰে।

০০০০০০০

জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই আজি ৰহাৰ পৰা দুবৰিতলীলৈ কলং নদীৰ নিৰ্মীয়মান মথাউৰি পৰিদৰ্শন কৰে। এই সন্দৰ্ভত মন্ত্ৰীগৰাকীয়ে কয় যে ৰাজ্যখন বানমুক্ত কৰি গঢ়ি তোলাৰ স্বাৰ্থত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ পৰিকল্পনাৰ সৈতে সংগতি ৰাখি জলসম্পদ বিভাগে ৰহা বিধানসভা সমষ্টিত এই মথাউৰি নিৰ্মাণৰ কাম অব্যাহত ৰাখিছে। মন্ত্ৰী শ্ৰীহাজৰিকাই আজি এই নিৰ্মাণকাৰ্য পৰিদৰ্শন কৰাৰ পাছত সংশ্লিষ্ট বিষয়াসকলক যথাসময়ত মান সম্পন্ন কাম সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিয়ে।

০০০০০০০

**সমাপ্ত**